# বীৰঝৰা কন্যা মহাবিদ্যালয়

বঙাইগাঁও - ৭৮৩৩৮০

স্থাপিত ঃ ১৯৯৩ চন

প্ৰসঙ্গ ঃ................ তাৰিখ ঃ .০৩-০৭-২০১৭ ইং

প্ৰতি,

শ্ৰীযুত/শ্ৰীযুতা ........................................................

........................................................................

মহাশয়/মহাশয়া,

নমস্কাৰ গ্ৰহণ কৰিব। আপোনালোক সকলোৱে অৱগত যে, ১৯৯৩ ইং চনত বিধায়ক শ্ৰীযুত ফণীভূষণ চৌধুৰীৰ নেতৃত্বত বঙাইগাঁওৰ শিক্ষানুৰাগী ৰাইজে প্ৰতিষ্ঠা কৰা বীৰঝৰা কন্যা মহাবিদ্যালয়ে পশ্চিম অসমত নাৰী শিক্ষাৰ প্ৰসাৰৰ ক্ষেত্ৰত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰি আহিছে। বঙাইগাঁও চহৰৰ উপৰিও জিলাখনৰ গ্ৰাম্যাঞ্চলৰ সাংস্কৃতিক, বৌদ্ধিক আৰু আৰ্থ-সামাজিক উত্তৰণক মহাবিদ্যালয় খনে এক নতুন গতি প্ৰদান কৰিছে। ইয়াত অধ্যয়ন কৰা বহুতো ছাত্ৰীয়ে ইতিমধ্যে সমাজৰ বিভিন্ন ক্ষেত্ৰত প্ৰতিষ্ঠিত হৈ নাৰী সবলীকৰণ প্ৰক্ৰিয়াত অৰিহণা যোগাইছে। পৰীক্ষাৰ ফলাফলৰ ক্ষেত্ৰতো উচ্চতৰ মাধ্যমিক আৰু স্নাতক দুয়োটা শাখাতে ছাত্ৰীসকলে বিশেষ পাৰদৰ্শিতা দেখুৱাই অঞ্চলটোলৈ সুনাম কঢ়িয়াই আনিবলৈ সক্ষম হৈছে।

আপোনালোকক জনাবলৈ পাই আমি গৌৰৱান্বিত যে এই মহাবিদ্যালয় খনে অহা ২০ আগষ্ট, ২০১৭ ইং তাৰিখে গৌৰৱোজ্জ্বল **ৰূপালী জয়ন্তী বৰ্ষত** পদাৰ্পন কৰিব আৰু ২০১৭-'১৮ ইং চনটো **ৰূপালী জয়ন্তী বৰ্ষ** হিচাবে পালন কৰিবলৈ অগ্ৰসৰ হৈছে। উল্লেখিত ৰূপালী জয়ন্তী বৰ্ষৰ সমূহ কাৰ্য্যসূচীৰ সফল ৰূপায়নৰ অৰ্থে এখন শক্তিশালী পৰিচালনা সমিতি গঠন কৰিবলৈ অহা **৯ জুলাই '১৭ ইং তাৰিখ দেওবাৰে দিনৰ ১১ বজাত মহাবিদ্যালয় প্ৰাঙ্গনত** এখন সাধাৰণ সভা আহ্বান কৰা হৈছে। উক্ত সভাত আপোনাৰ/আপোনালোকৰ উপস্থিতি আন্তৰিকতাৰে কামনা কৰিলোঁ।

ভৱদীয়-

নলিনী দাস বৈশ্য
ভাৰপ্ৰাপ্ত অধ্যক্ষা
বীৰঝৰা কন্যা মহাবিদ্যালয়

ভাস্কৰ শীল
আহ্বায়ক

Scanned by CamScanner